M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

**2025**

# ASSAMESE

( Skill Enhancement Course )

Paper : ASM–SE–6014

**( অসমীয়া আখৰ-জোঁটনি )**

*Full Marks* : 50

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৪=৪

(ক) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন আৰু স্বৰধ্বনি মুঠতে কেইটা?

(খ) অসমীয়া ভাষাত স্বৰধ্বনিৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য আছেনে?

(গ) অসমীয়া বৰ্ণমালাত অন্তঃস্থ বৰ্ণ কেইটা?

(ঘ) অসমীয়া ভাষাৰ এটা অবিভাজ্য ধ্বনিৰ উদাহৰণ দিয়া।

২। চমুকৈ উত্তৰ লিখা : ২×৩=৬

(ক) বিশিষ্ট ধ্বনি কাক বোলে?

(খ) অসমীয়া ভাষাৰ অ আৰু অ' ধ্বনিৰ প্ৰয়োগ দেখুওৱা।

(গ) অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য বৰ্ণৰ উচ্চাৰণ আছেনে? এইবোৰ বৰ্ণৰ কি উচ্চাৰণ হয়?





৩। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×২=১০

(ক) অসমীয়া ভাষাত কৰ্ম কাৰকত কি বিভক্তি প্ৰয়োগ হয়? উদাহৰণসহ বুজাই লিখা।

(খ) অসমীয়া ভাষাত স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে উদাহৰণসহ লিখা।

(গ) অসমীয়া ভাষাত চন্দ্ৰবিন্দু (ঁ) প্ৰয়োগৰ নিয়ম সম্বন্ধে লিখা।

(ঘ) আখৰ-জোঁটনিৰ ক্ষেত্ৰত ঙ আৰু ং-ৰ ব্যৱহাৰৰ বিষয়ে লিখা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) উচ্চাৰণৰ স্থান আৰু ধৰণ দেখুৱাই অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

(খ) অসমীয়া ভাষাৰ আখৰ-জোঁটনি সমস্যাৰ কেইটামান কাৰণ উল্লেখ কৰি তাৰ সমাধানৰ উপায় আগবঢ়োৱা।

(গ) যুক্তাক্ষৰ বুলিলে কি বুজা? অসমীয়া ভাষাৰ যুক্তাক্ষৰৰ বিষয়ে আলোচনা কৰা।

(ঘ) লেখন আৰু কথনত যতিচিহ্ন প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰা।





(ঙ) লিপ্যন্তৰ পদ্ধতি বুলিলে কি বুজা? লিপ্যন্তৰকৰণ সমস্যাৰ বিষয়ে আলোচনা কৰা।

(চ) তলত দিয়া সমোচ্চাৰিত শব্দসমূহৰ অৰ্থ লিখি বাক্যত প্ৰয়োগ দেখুওৱা :

অটল, অতল; ভাট, ভাত; গাঁও, গাওঁ; কঠা, কথা; কোণ, কোন।

***

M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE